# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 22-01-2025
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

- - - - - - - - - - - - - -

অসমে সৰলতা, স্বচ্ছতা আৰু দক্ষতা এই তিনিটা বুনিয়াদৰ আধাৰত ব্যৱসায়ীসকলক ৰাজ্যত বিনিয়োগ কৰিবলৈ আহ্বান জনাই আহিছে। জাপানত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বিষয়ে প্ৰচাৰ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে এই নীতি অনুসৰণ কৰিয়েই ৰাজ্য চৰকাৰে নতুন যুগৰ উদ্যোগসমূহক ভেঁটি স্থাপন কৰিবলৈ উৎসাহিত কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বিস্তৃত প্ৰসাৰ আৰু এই পদক্ষেপত বহিঃৰাষ্ট্ৰৰ পৰা সহযোগিতা লাভৰ উদ্দেশ্যে আজি জাপানৰ অৰ্থনীতি, বাণিজ্য আৰু উদ্যোগমন্ত্ৰী কোগা য়ুইচিৰোক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে জাপানী প্ৰতিষ্ঠানৰ দ্বাৰা ব্যৱসায়িক উদ্যান স্থাপনৰ বাবে অসমৰ প্ৰস্তুতি সম্পৰ্কত আলোচনা কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই জাপান চৰকাৰৰ কাৰিকৰী শিক্ষানবীছ প্ৰশিক্ষণ আৰু নিৰ্দিষ্ট দক্ষতা কৰ্মী কাৰ্যসূচীৰ বাবে পৰীক্ষা কেন্দ্ৰ স্থাপনৰ বিষয়ে বিবেচনা কৰিবলৈ অনুৰোধ জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে এটা ৰোড শ্ব'ত অংশ লৈ দেশখনৰ আগশাৰীৰ উদ্যোগ আৰু ব্যৱসায় জগতৰ কাণ্ডাৰীসকলৰ সৈতে মত বিনিময় কৰে। এই মত বিনিময়ত মুখ্যমন্ত্ৰীয়ে অসমৰ আকৰ্ষণীয় অৰ্থনৈতিক বিকাশ আৰু ব্যৱসায়ৰ সুচলতা সন্দৰ্ভত আলোকপাত কৰে। ভাৰত-জাপান সম্পৰ্কত অসমৰ বিশেষ ভূমিকাক গুৰুত্ব প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে ২০১৪ চনৰ তুলনাত অসমে অহা বছৰৰ ভিতৰত ইয়াৰ অৰ্থনীতি তিনিগুণ বৃদ্ধি কৰিবলৈ আগবাঢ়িছে। তেওঁ কয়, যে অসমৰ ফুলবৰীত নিৰ্মীয়মান দেশৰ দীৰ্ঘতম নদী দলঙখনো জাপানৰ সহায়ত কৰা হৈছে। একেটা স্থানতে সকলো ধৰণৰ অনুমোদন লাভৰ একক উইণ্ডো ব্যৱস্থা আৰু ৩শ কোটি আমেৰিকান ডলাৰৰ উৎপাদন সংযোজনে অসমক বিনিয়োগৰ সুযোগৰ দিশত উজলাই তুলিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

০০০

ৰাজ্য চৰকাৰে প্ৰতিখন বাগিছাত সুকীয়া চিকিৎসালয় নিৰ্মাণৰ  লগতে প্ৰতিখন চিকিৎসালয়ৰ বাবে একোজনকৈ সমুহীয়া চিকিৎসা বিষয়া নিয়োগ কৰিব। এই উদ্দেশ্যে আজি গুৱাহাটীত পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহল আৰু চাহ তথা শ্ৰমিক কল্যাণ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিৰ আধাৰত ৰাজ্যৰ মুঠ ৩৫৪ খন চাহ বাগিছা চিকিৎসালয়ক আয়ুষ্মান আৰোগ্য মন্দিৰলৈ উন্নীত কৰা হ'ব।

ইয়াৰ অংশ হিচাপে আন আন জিলাৰ লগতে দৰং, শিৱসাগৰ আৰু যোৰহাটৰ চাহ বাগিছা অঞ্চলৰ কেইবাখনো চিকিৎসালয় আয়ুষ্মান আৰোগ্য মন্দিৰলৈ ৰূপান্তৰ কৰাৰ বাবে বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। দৰং জিলাৰ তাংনি, চিকনমাটি আৰু বৰগৰা এই তিনিওখন চাহ বাগিছাৰ পৰিচালকৰ উপস্থিতিত এই চুক্তি স্বাক্ষৰিত

হয়। যোৰহাট জিলাৰ ২১ খন চাহ বাগিছাৰ চিকিৎসালয়ক আয়ুষ্মান আৰোগ্য মন্দিৰলৈ উন্নীত কৰাৰ বাবে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হয়। এই চুক্তিৰ আধাৰত শিৱসাগৰ জিলাৰো ৭ খন চাহ বাগিছা চিকিৎসালয়ক আয়ুষ্মান আৰোগ্য মন্দিৰলৈ ৰূপান্তৰ কৰা হৈছে।

০০০

অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম পূৰ্ণাংগ অধিৱেশনখন অহা ৩১ জানুৱাৰীৰ পৰা ৪ ফেব্ৰুৱাৰীলৈ বজালী জিলাৰ পাঠশালা নগৰৰ ভট্টদেৱ ক্ষেত্ৰত অনুষ্ঠিত হ'ব। আজি অসম সাহিত্য সভাৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনত আয়োজিত এখন সংবাদমেলত অধিৱেশনৰ প্ৰস্তুতি সন্দৰ্ভত পাঠশালা অধিৱেশনৰ প্ৰচাৰ উপ-সমিতিৰ সভাপতি তথা প্ৰাক্তন বিধায়ক মনোৰঞ্জন দাসে কয়, যে অধিৱেশনৰ প্ৰথম দিনা পুৱা নামঘৰৰ দ্বাৰ মুকলি, ভট্টদেৱ ক্ষেত্ৰ আৰু মূল তোৰণ উদ্বোধন, ভট্টদেৱৰ কথা সাহিত্য বিষয়ক লৈ সাহিত্য আলোচনা, মে-ডাম-মে-ফি উদযাপন, প্ৰতিনিধি শিবিৰ মুকলি আদি কাৰ্যসূচী অনুষ্ঠিত হ'ব। বিয়লি অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভা আৰু সন্ধিয়ালৈ সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব।

অধিৱেশনৰ দ্বিতীয় দিনা অসম সাহিত্য সভাৰ মূল পতাকা উত্তোলন কৰা হ'ব। অধিৱেশনৰ তৃতীয় দিনা ধ্ৰুপদী অসমীয়া ভাষা শীৰ্ষক আলোচনা সত্ৰৰ পাছতে অসম সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতি ড০ বসন্ত গোস্বামীক লৈ এটা বৰ্ণাঢ্য শোভাযাত্ৰা উলিওৱা হ'ব। অধিৱেশনৰ চতুৰ্থ দিনা বুৰঞ্জী সন্মিলন, লোক সাংস্কৃতিক সমাৰোহ, মুকলি সভা, যুৱ সংসদ সাংস্কৃতিক সন্মিলন অনুষ্ঠিত হ'ব। পঞ্চম তথা অন্তিম দিনা অসমৰ জনগোষ্ঠীয় ছাত্ৰ যুৱ সন্মিলন আকাশ শীৰ্ষক মহিলা প্ৰতিভা বিকাশৰ অনুষ্ঠান, নাট্য সন্মিলন, অসম সাহিত্য সভাৰ বিভিন্ন বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হ'ব।

০০০

ডিব্ৰুগড় জিলাৰ নাহৰকটিয়াৰ সমীপৰ জয়পুৰত বন্যহস্তীয়ে সন্ত্ৰাসৰ সৃষ্টি কৰিছে। জয়পুৰৰ তিপাম পাহাৰৰ সমীপত বনৰীয়া হাতীৰ আক্ৰমণত আজি ৭ গৰাকীকৈ চাহ বাগিছাৰ শ্ৰমিক আহত হয়। আহত শ্ৰমিকসকলক নাহৰকটিয়া অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। ইয়াৰে ৪ গৰাকী শ্ৰমিকৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে।

০০০

অসম চৰকাৰে আজি উচ্চতম ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা চিন্ময় প্ৰদীপ শৰ্মাক ৰাজ্যৰ জ্যেষ্ঠ অতিৰিক্ত মহাধিবক্তা হিচাপে নিযুক্তি দিছে। ৰাজ্য চৰকাৰৰ ন্যায়িক বিভাগে জাৰি কৰা নিৰ্দেশনাত শ্ৰীশৰ্মাই উচ্চতম ন্যায়ালয়ৰ গোচৰসমূহত অসম চৰকাৰৰ পক্ষক প্ৰতিনিধিত্ব কৰিব বুলি কোৱা হৈছে।

০০০

মাজুলীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীএলেঙি নৰসিংহ সত্ৰৰ সত্ৰাধিকাৰ, বিশিষ্ট মুখাশিল্পী, সমাজকৰ্মী, সত্ৰীয়া সংস্কৃতিৰ একনিষ্ঠ সাধক ললিত চন্দ্ৰ মহন্তৰ আজি পুৱা যোৰহাট চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। মাজুলীৰ মুখাশিল্পক জনপ্ৰিয় কৰি তোলা বাবে তেওঁ অসম চৰকাৰৰ এককালিন শিল্পী পেঞ্চন লাভ কৰিছিল। অসমৰ সমাজ, সংস্কৃতিলৈ বিশেষ অৱদান আগবঢ়োৱা ললিত চন্দ্ৰ মহন্তৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮৫ বছৰ।

০০০

কলকাতাৰ ইডেন গাৰ্ডেনত ভাৰত আৰু ইংলেণ্ডৰ মাজত অনুষ্ঠিত পাঁচখন টি-টুৱেণ্টি শৃংখলাৰ প্ৰথমখন খেলত ইংলেণ্ডে ভাৰতক জয়ৰ বাবে ১৩৩ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। টছত জয়ী হৈ ভাৰতে প্ৰথমে আলহী দলটোক বেটিঙৰ বাবে আমন্ত্ৰণ জনায়। ইংলেণ্ডৰ হৈ জে বাটলাৰে ৪৪ টা বলত ৬৮ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ বৰুণ চক্ৰৱৰ্তীয়ে ২৩ ৰাণৰ বিনিময়ত সৰ্বাধিক ৩টা উইকেট দখল কৰে। আনহাতে, অৰ্শ্বদীপ সিং, হাৰ্দিক পাণ্ডিয়া আৰু অক্ষৰ পেটেলে দুটাকৈ উইকেট দখল কৰে। বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে বেটিং আৰম্ভ কৰি ৬ অভাৰত ২ টা উইকেট হেৰুৱাই ৬৩ ৰাণ কৰি খেলি আছে। উল্লেখযোগ্য যে ভাৰতীয় দলত বহুদিনৰ বিৰতিৰ মূৰত প্ৰবীন পে’চ বলাৰ মহম্মদ শ্বামীক অন্তৰ্ভুক্ত কৰা হৈছে।

০০০

সমাপ্ত